প্রকৃত [illegible] কাৰ্যপালিকাৰ প্ৰকৃত মুৰব্বী।

ৰজা আৰু ৰাজমুকুটৰ মাজৰ পাৰ্থক্য (Distinction between the King and the Crown) ঃ

ইংলেণ্ডৰ ৰজা আৰু ৰাজমুকুটৰ মাজত কিছুমান পাৰ্থক্য আছে। অতীতত ইংলেণ্ডৰ সকলো ক্ষমতা এজন ব্যক্তিৰ হাতত কেন্দ্ৰীভূত আছিল আৰু তেওঁ ৰাজমুকুট পৰিধান কৰিছিল আৰু সেই ব্যক্তিজনেই আছিল ইংলেণ্ডৰ ৰজা। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে ইংলেণ্ডৰ ৰজাৰ সকলো ক্ষমতা আৰু বিশেষাধিকাৰ ৰজাৰ হাতৰ পৰা আনি সিবিলাক এক অনুষ্ঠানৰ হাতত অৰ্পণ কৰা হ'ল যিটোক ইংলেণ্ডৰ মানুহে 'ৰাজমুকুট' (Crown) বুলি অভিহিত কৰে। কিন্তু ইংলেণ্ডৰ ৰাজনীতিত ৰজাৰ স্থান চিৰদিনৰ বাবে নাইকিয়া হোৱা নাছিল। ৰাষ্ট্ৰৰ নামমাত্ৰ মুৰব্বী হিচাপে স্থান দিয়া হ'ল আৰু তেওঁৰ পূৰ্বৰ সন্মান বাহাল থাকিল। সেয়েহে ৰজাই ৰাষ্ট্ৰীয় ক্ষমতাৰ প্ৰতীক ৰাজমুকুট এতিয়াও পৰিধান কৰে। কিন্তু ৰজাই প্ৰকৃত ৰাজনৈতিক ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰে। ৰজাৰ নামত সেই ক্ষমতা মন্ত্ৰী পৰিষদ আৰু ইংলেণ্ডৰ সংসদেহে প্ৰয়োগ কৰে। ৰজা আৰু ৰাজমুকুটৰ মাজৰ পাৰ্থক্য আমি তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰোঁ ঃ (১) ৰজা এজন ব্যক্তি কিন্তু ৰাজমুকুট এটা অনুষ্ঠান। ইয়াৰ অৰ্থ হ'ল সিংহাসন দখল কৰি বহি থকা ৰজা নামৰ ব্যক্তিজনৰ মৃত্যু হ'ল, কিন্তু এটা অনুষ্ঠান হিচাপে ৰাজমুকুটৰ কেতিয়াও মৃত্যু নহয়। যেতিয়া ৰজাই এক আনুষ্ঠানিক ৰূপ লাভ কৰিলে তেতিয়া ইয়াক ৰাজমুকুট হিচাপে জনা হ'ল।

প্ৰফেচাৰ মুনৰৰ মতে 'ৰাজমুকুট এক কৃত্ৰিম বা আইনগত ব্যক্তি' (Juristic Person)। এইটো এটা অনুষ্ঠান, ইয়াৰ কেতিয়াও মৃত্যু নহয়। ৰাজমুকুটৰ ক্ষমতা, কাৰ্যাৱলী, বিশেষাধিকাৰ ৰজাৰ মৃত্যু হ'লেও এক মুহূৰ্তৰ কাৰণে বন্ধ কৰিব নোৱাৰি বা বাতিল কৰিব নোৱাৰি। (২) ইংলেণ্ডৰ সকলো ৰাষ্ট্ৰীয় ক্ষমতা ৰাজমুকুটৰ হাতত থাকে। ৰাজমুকুট ইংলেণ্ডৰ সাৰ্বভৌম ক্ষমতাৰ প্ৰতীক। ৰাজমুকুটৰ সকলো ক্ষমতা আৰু অধিকাৰ ৰজাৰে ক্ষমতা আৰু অধিকাৰ। এই কথা তাত্ত্বিকভাৱে সত্য, কিন্তু প্ৰকৃততে ৰজাই ব্যক্তিগতভাৱে এই ক্ষমতা আৰু অধিকাৰ নিজে কাৰ্যকৰী নকৰে। এইবিলাক ৰজাৰ নামত মন্ত্ৰীসকলে প্ৰয়োগ কৰে। (৩) তৃতীয়তে, ৰজা ৰাজমুকুটৰ এটা অংশ মাত্ৰ। ৰজাৰ উপৰি কেবিনেট বা মন্ত্ৰীসভা আৰু পাৰ্লিয়ামেণ্ট ৰাজমুকুটৰ গুৰুত্বপূৰ্ণ অংগ। মন্ত্ৰীসকলে কাৰ্য পৰিচালনাৰ বাবে সংসদৰ পৰা কৰ্তৃত্ব লাভ কৰে আৰু এই কৰ্তৃত্ব প্ৰয়োগৰ ক্ষেত্ৰত কোনো ভুল হ'লে মন্ত্ৰীসকলেহে দায়বদ্ধ, ৰজা নহয়। মন্ত্ৰীসকলৰ কাৰ্যত অসন্তুষ্ট হ'লে সংসদে তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। আৱশ্যক হ'লে অনাস্থা প্ৰস্তাৱৰ জৰিয়তে মন্ত্ৰীসভাৰ পতনো ঘটাব পাৰে। আৰু (৪) ৰজা ৰাজমুকুটে প্ৰদান কৰা ক্ষমতাসমূহ প্ৰয়োগ কৰা এজন তেজ-মঙহৰ ব্যক্তি মাত্ৰ। ৰাজমুকুটে নিজে ক্ষমতা প্ৰয়োগ বা কাৰ্যকৰী কৰিব নোৱাৰে বাবে ৰজাই প্ৰয়োগ কৰে। ৰজা মৰণশীল, কিন্তু ৰাজমুকুটৰ মৃত্যু নহয়।